বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

**অল্পতুষ্টি,সৰলতা আৰু দৰিদ্ৰতাৰ প্ৰেক্ষাপটত মহানবী (ছাঃ)-ৰ জীৱনাদৰ্শ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ اَلرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছায়্যিদিনা আমিৰুল মোমিনীন হজৰত মিৰ্জা মাছৰুৰ আহমদ খলীফাতুল মছীহ আল-খামিছ (আইঃ)-এ ১৬ অক্টোবৰ ২০২৬ চনত মছজিদ মোবাৰক, ইছলামাবাদ, টিলফোৰ্ড, ইউ কে-ত প্ৰদান কৰা জুমাৰ খুতবাৰ সাৰাংশ।**

তাশ্বাহুদ, তাউয, তাছমিয়াহ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আঃ)-এ ছুৰা ছোৱাদৰ এটা আয়াতৰ অনুবাদ আগবঢ়াই কয় যেঃ

কোৱা,মই তোমালোকৰ পৰা ইয়াৰ বাবে কোনো পুৰস্কাৰ নিবিচাৰোঁ আৰু মই কৃত্ৰিমতা অৱলম্বন কৰোঁতাসকলৰো অন্তৰ্ভুক্ত নহয়।"এই আয়াতত আল্লাহ তা'লাই মহানবী (ছাঃ)-ৰ জৰিয়তে এই কথা ঘোষণা কৰোৱাইছে যে, লোকসকলৰ মাজত এই ঘোষণা কৰি দিয়া যে-মই তোমালোকক খোদা তা'লাৰ যি বাৰ্তা প্ৰদান কৰি আছোঁ আৰু মংগলৰ যি পথ দেখুৱাই আছোঁ, সেয়া কেৱল তোমালোকৰ ইহকাল আৰু পৰকাল সুন্দৰ কৰি তোলাৰ লগতে তোমালোকৰ নিজৰ উপকাৰৰ বাবেহে। এই কামৰ বিনিময়ত মোক তোমালোকৰ পৰা একো নালাগে আৰু ইয়াৰ কোনো প্ৰয়োজনো মোৰ নাই। মই ইয়াৰ প্ৰতিদান সকলো ধন-ভাণ্ডাৰৰ গৰাকীজনৰ পৰাই লাভ কৰি আছোঁ।

হুজুৰ আনোৱাৰ(আঃ)-এ কয়, মহানবী (ছাঃ)-ৰ জীৱন এই সকলোবোৰ কৃত্ৰিমতাৰ পৰা মুক্ত আছিল; আৰু যেতিয়া জীৱন কৃত্ৰিমতাৰ পৰা মুক্ত হয়, তেতিয়া তাত পাৰ্থিৱ কামনা-বাসনা নাথাকেই, আৰু প্ৰয়োজনীয় সামগ্ৰীসমূহ আল্লাহ তা'লাই নিজেই যোগান ধৰে। মোমিনসকললৈও এই উপদেশ দিয়া হৈছে যে, নিজকে সাধাৰণ আৰু সৰল কৰি ৰাখা আৰু কৃত্ৰিমতাৰ পৰা মুক্ত কৰা। হজৰত ওছমান বিন আফফান (ৰাঃ)-এ বৰ্ণনা কৰিছে যে, নবী (ছাঃ)-এ কৈছিল, "আদম সন্তানৰ বাবে এইকেইটা কথাৰ বাহিৰে আন একো অধিকাৰ নাই যে-এটা ঘৰ থাকক য'ত তেওঁ বসবাস কৰিব পাৰে, নিজৰ লজ্জা নিবাৰণ কৰিব পৰাকৈ পৰ্যাপ্ত কাপোৰ থাকক, আৰু শুকান-ৰুক্ষ ৰুটী তথা পানী থাকক।" প্ৰকৃততে, মহানবী (ছাঃ)-এ নিজৰ অৱস্থা আৰু জীৱনৰেই এনে এক চিত্ৰ দাঙি ধৰিছে যে, তেখেতক কোনো কৃত্ৰিমতাৰ প্ৰয়োজন নাই।" এই কাৰণেই মহানবী (ছাঃ)-এ এই দোৱা কৰিছিল, যাৰ উল্লেখ কৰি হজৰত আবু ছাঈদ খুদৰী (ৰাঃ)-এ বৰ্ণনা কৰিছে যে, তেখেত(ছাঃ)-এ কৈছিল-দৰিদ্ৰসকলক ভাল পাবা। তেওঁ নিজে কয় যে, মই ৰছুলুল্লাহ (ছাঃ)-ক নিজৰ দোৱাত এইদৰে কোৱা শুনিছোঁ-"হে আল্লাহ! মোক দৰিদ্ৰ (মিছকীন) হিচাপে জীৱিত ৰাখিবা, দৰিদ্ৰ হিচাপেই মৃত্যু দিবা আৰু দৰিদ্ৰসকলৰ দলতেই মোৰ পুনৰুত্থান কৰিবা।"

হজৰত আবু উমামাহ (ৰাঃ)-এ বৰ্ণনা কৰে যে, ছাহাবাসকলে মহানবী (ছাঃ)-ৰ সন্মুখত দুনিয়া (পাৰ্থিৱ বিষয়)ৰ বিষয়ে আলোচনা কৰাত তেখেতে দুবাৰকৈ সম্বোধন কৰি মনোযোগ আকৰ্ষণ কৰি ক'লে যে, তোমালোকে শুনা নাই নেকি? নিশ্চয় সৰলতা ঈমানৰ অংশ; নিশ্চয় সৰলতা ঈমানৰ অংশ।হজৰত ইমৰান বিন হুছেইন (ৰাঃ)-এ বৰ্ণনা কৰিছে যে, ৰছুলুল্লাহ (ছাঃ)-এ কৈছিল, "নিশ্চয় আল্লাহ তা'লাই নিজৰ সেই বান্দাক ভাল পায় যি মোমিন, দৰিদ্ৰ, কাৰো ওচৰত হাত পতাৰ পৰা বিৰত থকা আৰু পৰিয়াল পোহপাল দিওঁতা হয়।" মানুহ কাৰো ওচৰত হাত পতাৰ পৰা তেতিয়াহে বিৰত থাকিব পাৰে, যেতিয়া তেওঁৰ মাজত সৰলতা আৰু অল্পতে সন্তুষ্ট থকাৰ গুণ থাকে।

হজৰত আব্দুল্লাহ বিন ওমৰ (ৰাঃ)-এ বৰ্ণনা কৰিছে যে, দৰিদ্ৰ মুহাজিৰসকলে ৰছুলুল্লাহ (ছাঃ)-ৰ ওচৰলৈ গৈ ধনৱানসকলৰ মৰ্যাদাৰ বিষয়ে অভিযোগ কৰিলে। তেতিয়া মহানবী (ছাঃ)-এ এই সুসংবাদ দিলে যে, "দৰিদ্ৰ মোমিনসকল ধনৱানসকলতকৈ আধা দিন, অৰ্থাৎ পাঁচশ বছৰ আগতেই স্বৰ্গত প্ৰৱেশ কৰিব।" বৰ্ণনাকাৰী মূছাই এই আয়াতটো তিলাৱত কৰিলে যে-আৰু নিশ্চয় তোমাৰ

প্ৰতিপালকৰ ওচৰত এনেকুৱা এটা দিনো আছে, যি তোমালোকে গণনা কৰা হিচাপৰ অনুসৰি এহেজাৰ বছৰৰ সমান,অৰ্থাৎ আধা দিনৰ অৰ্থ হ'ল পাঁচশ বছৰ।

হুজুৰ আনোৱাৰ(আঃ)-এ কয় যে, ইয়াৰ অৰ্থ এইটো নহয় যে মানুহ হাত সাৰটি বহি থাকিব আৰু একো কাম নকৰিব; বৰঞ্চ সম্পূৰ্ণ মনোযোগ আৰু পৰিশ্ৰমেৰে কাম কৰা, সৰল জীৱন নিৰ্বাহ কৰা, অল্পতে সন্তুষ্ট থকা আৰু আল্লাহৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাটোৱেই হৈছে এজন মোমিনৰ প্ৰকৃত স্বভাৱ, যিয়ে তেওঁৰ ঈমান বৃদ্ধি কৰে।

হজৰত আব্দুল্লাহ বিন ওমৰ (ৰাঃ)-ৰ পৰা বৰ্ণিত আছে যে, ৰছুলুল্লাহ (ছাঃ)-এ মোৰ কান্ধত ধৰি কৈছিল, “তুমি পৃথিৱীত এনেদৰে জীৱন নিৰ্বাহ কৰা যেন তুমি এজন পৰদেশী অথবা কোনো বাটৰুৱা যাত্ৰী।” ইবনে ওমৰ (ৰাঃ)-এ কৈছিল যে, গধূলি হ'লে পুৱাৰ বাবে অপেক্ষা নকৰিবা আৰু পুৱা হ'লে গধূলিৰ বাবে অপেক্ষা নকৰিবা। নিজৰ সুস্থ অৱস্থাতে বেমাৰৰ বাবে আৰু জীৱিত অৱস্থাতে মৃত্যুৰ বাবে কিছু সমল গোটাই লোৱা।

হজৰত ওমৰ (ৰাঃ)-ৰ পৰা বৰ্ণিত আছে যে, তেখেতে মিম্বৰত থিয় হৈ কৈছিল, মই নবী (ছাঃ)-ক এইদৰে কোৱা শুনিছিলোঁ যে- মোৰ প্ৰশংসাত ইমান অতিৰঞ্জন নকৰিবা, যিদৰে খ্ৰীষ্টানসকলে ইবনে মৰিয়মৰ (মৰিয়মৰ পুত্ৰৰ) প্ৰশংসাত অতিৰঞ্জন কৰিছিল। মই কেৱল আল্লাহৰ বান্দাহে, সেয়ে তোমালোকে এই বুলিয়েই ক'বা যে, ‘তেওঁৰ বান্দা আৰু তেওঁৰ ৰছুল।’

মুতাৰৰিফে নিজৰ পিতৃৰ পৰা বৰ্ণনা কৰিছে যে, আমি বনু আমিৰৰ প্ৰতিনিধি দলত গৈ মহানবী (ছাঃ)-ক ক'লোঁ যে, আপুনি আমাৰ চৰ্দাৰ (দলপতি), তেতিয়া তেখেত (ছাঃ)-এ কৈছিল, “চৰ্দাৰ কেৱল আল্লাহ।” তাৰ পিছত আমি ক'লোঁ যে, আপুনি অনুগ্ৰহৰ ক্ষেত্ৰত সৰ্বশ্ৰেষ্ঠ আৰু উপকাৰৰ ক্ষেত্ৰত আটাইতকৈ মহান। তেতিয়া মহানবী (ছাঃ)-এ কৈছিল, “তোমালোকৰ যি ক'বলগীয়া আছে সেয়া কোৱা, এনেকুৱা অৰ্থহীন প্ৰশংসা নকৰিবা; চয়তানে যাতে তোমালোকক দুঃসাহসী কৰি নুতুলে।”

হজৰত ৰুবায়্যি বিনতে মুআউৱিয (ৰাঃ)-এ বৰ্ণনা কৰিছে যে, তেখেতৰ বিয়াত ছোৱালীবোৰে দফ (এবিধ আৰবীয় বাদ্য) বজাই বদৰৰ শ্বহীদসকলৰ প্ৰশংসাত গীত গাই আছিল। সিহঁতৰ মাজৰ এজনী ছোৱালীয়ে গাব ধৰিলে, আমাৰ মাজত এনে এজন নবী আছে, যিজনে কাইলৈ কি হ'ব সেয়াও জানে। মহানবী (ছাঃ)-এ এই কথা শুনি কৈছিল, এই কথাটো বাদ দিয়া আৰু আগতে যি গাই আছিলা, সেয়াই গোৱা। য'তেই অপ্ৰয়োজনীয় প্ৰশংসা আৰু শ্বিৰ্কৰ কথা ওলাইছিল, তাতেই মহানবী (ছাঃ)-এ লগে লগে বাধা প্ৰদান কৰিছিল।

হুজুৰে কয় যে, মহানবী (ছাঃ)-ৰ বাসগৃহ আৰু জীৱন-যাপনৰ সৰলতাৰ বিষয়ে এনেদৰে উল্লেখ পোৱা যায় যে হিজৰতৰ পিছত মছজিদে নৱৱীৰ কাষত দহ-পোন্ধৰ ফুটৰ এটা সৰু কোঠা নিৰ্মাণ কৰা হৈছিল, যাৰ দৰ্জা মছজিদৰ ফালে খোল খাইছিল আৰু তাৰ পৰাই মহানবী (ছাঃ)-এ নামাজৰ বাবে ওলাই আহিছিল।

হজৰত মিৰ্জা বশ্বীৰ আহমদ চাহাবে **‘ছীৰত খাতামুন্নাবিয়্যীন’**-ত লিখিছে আৰু ইতিহাসতো ইয়াৰ সবিশেষ উল্লেখ আছে যে, মছজিদৰ আশে-পাশে হজৰত হাৰিছা বিন নোমান (ৰাঃ)-ৰ কেইবাটাও ঘৰ আছিল। যেতিয়াই ৰছুলুল্লাহ (ছাঃ) নতুনকৈ বিবাহপাশত আবদ্ধ হৈছিল, তেতিয়াই হাৰিছাই নিজৰ একোটা ঘৰ তেখেতক দি দিছিল; এনেদৰে অৱশেষত হাৰিছাৰ সকলোবোৰ ঘৰ ৰছুলুল্লাহ (ছাঃ)-ৰ হৈ গৈছিল। সৰ্বমুঠ নটা ঘৰ আছিল, য'ত মহানবী (ছাঃ)-এ নিজৰ জীৱনৰ অন্তিম দহটা বছৰ অতিবাহিত কৰিছিল আৰু হজৰত আয়েশ্বা (ৰাঃ)-ৰ ঘৰতে তেখেতক সমাধিস্থ কৰা হৈছিল।এই ঘৰবোৰ কেঁচা ইটা, বোকা আৰু খেজুৰৰ ডাল-পাতেৰে নিৰ্মিত আছিল, যাৰ ওপৰত নোমৰ কম্বল আঁৰি দিয়া হৈছিল যাতে পৰ্দাহীনতা নহয়। প্ৰতিটো কোঠাৰ দৈৰ্ঘ্য প্ৰায় পাঁচ মিটাৰ আৰু প্ৰস্থ চাৰি মিটাৰ আছিল। চোতালৰ প্ৰস্থ আছিল প্ৰায় চাৰে তিনি মিটাৰ আৰু চালবোৰ ইমানেই চাপৰ আছিল যে হাত দাঙিলেই চুব পৰা গৈছিল। আতা নামৰ বৰ্ণনাকাৰীজনে বৰ্ণনা কৰে যে, ছাঈদ বিন মুছায়্যিবে এই কোঠাবোৰ ভাঙি পেলোৱাৰ দিনা কৈছিল- আল্লাহৰ শপত! মই বিচাৰিছিলোঁ যে এই কোঠাসমূহক তাৰ পূৰ্বৰ অৱস্থাতেই এৰি দিয়া হওক, যাতে মানুহে দেখিবলৈ পায় যে মহানবী (ছাঃ) কিমান কম বস্তুতে সন্তুষ্ট আছিল। হজৰত আবু উমামাহ (ৰাঃ)-এও কৈছিল যে, হায়! যদি এই কোঠাসমূহ সেইদৰেই এৰি দিয়া হ'লহেঁতেন, যাতে ইয়াক দেখি মানুহে ডাঙৰ ডাঙৰ অট্টালিকা নিৰ্মাণ কৰাত অলপ সংযম অৱলম্বন কৰিলেহেঁতেন!

হজৰত মছীহ মাওউদ (আঃ)-এ কয়, “এই কথা চিন্তা কৰা উচিত যে, হাজাৰ হাজাৰ বিপদ-বিঘিনিৰ সৃষ্টি হোৱা সত্ত্বেও মহানবী (ছাঃ) কিমান ধৈৰ্য আৰু দৃঢ়তাৰে আদিৰ পৰা অন্তলৈকে নিজৰ নবুৱতৰ দাবীত অটল আৰু অবিচল হৈ ৰৈছিল। বছৰ বছৰ ধৰি

তেখেতে এনেকুৱা বিপদ-আপদ আৰু কষ্ট সহ্য কৰিবলগীয়া হৈছিল, যিবোৰে সফলতাৰ পৰা সম্পূৰ্ণৰূপে নিৰাশ কৰি তুলিছিল আৰু যিবোৰ দিনে দিনে বাঢ়ি গৈ আছিল, যাক ধৈৰ্যৰে সহ্য কৰিলে যে কোনো পাৰ্থিৱ উদ্দেশ্য সাধন হ'ব পাৰে, তেনে ধাৰণাও মনলৈ অহা নাছিল।তাৰ পিছত, সুদীৰ্ঘ কালৰ অন্তত যেতিয়া ইছলামৰ বিজয় সাব্যস্ত হ'ল, তেতিয়াও সেই ধন-সম্পদ আৰু গৌৰৱৰ দিনবোৰত তেখেত (ছাঃ)-এ কোনো ধন-ভাণ্ডাৰ জমা নকৰিলে, কোনো অট্টালিকা নিৰ্মাণ নকৰিলে বৰঞ্চ যি ধন-সম্পত্তি আহিছিল, সেয়া সকলোবোৰ অনাথ, মিছকীন, বিধৱা মহিলা আৰু ঋণগ্ৰস্তসকলৰ তত্ত্বাৱধানতেই খৰচ কৰা হৈছিল। আনকি কেতিয়াও এবেলাও পেট ভৰাই আহাৰ গ্ৰহণ কৰা নাছিল।

হজৰত আয়েশ্বা (ৰাঃ)-ৰ ঘৰত মহানবী (ছাঃ)-ৰ বিচনাখন চামৰাৰ আছিল, যাৰ ভিতৰত খেজুৰৰ আঁহ ভৰোৱা আছিল। হজৰত হাফছা (ৰাঃ)-ৰ ঘৰত ঊণৰ এখন কম্বল আছিল, যিখন তেখেতে দুজাপ কৰি পাৰি দিছিল। এদিন ৰাতি তেখেতে সেইখন চাৰিজাপ কৰি পাৰি দিলে; তেতিয়া মহানবী (ছাঃ)-এ পুৱা কৈছিল যে-“ইয়াক আগৰ দৰেই থাকিবলৈ দিয়া, কাৰণ ইয়াৰ কোমলতাই ৰাতিৰ নামাজত মোৰ বাবে বাধাৰ সৃষ্টি কৰিছিল।” ইয়াৰ অৰ্থ টোপনি যোৱাত বাধা হোৱা নাছিল, বৰঞ্চ বিচনাৰ ওপৰত থিয় হৈ নামাজ পঢ়োঁতে ভাৰসাম্য ৰক্ষা কৰা আৰু ইবাদতৰ সোৱাদত ব্যাঘাত জন্মাটোহে বুজাইছিল।হজৰত আয়েশ্বা (ৰাঃ)-এ বৰ্ণনা কৰিছে যে, সেই সময়ত ঘৰবোৰত চাকি-বন্তি নাছিল। যেতিয়া মহানবী (ছাঃ)-এ ছিজদাহ কৰিছিল, তেতিয়া তেখেতে মোক হাতেৰে হেঁচা মাৰি দিছিল আৰু মই ভৰি কোঁচাই লৈছিলোঁ; আকৌ যেতিয়া তেখেত থিয় হৈছিল, তেতিয়া মই ভৰি মেলি দিছিলোঁ।হজৰত আব্দুল্লাহ আৰু হজৰত আব্দুল্লাহ বিন মছউদ(ৰাঃ)-এ বৰ্ণনা কৰিছে যে, মহানবী (ছাঃ) এখন পাটীৰ ওপৰত শুইছিল, যাৰ ফলত তেখেতৰ গাৰ এদাঁতিত দাগ বহি গৈছিল। ইয়াকে দেখি আব্দুল্লাহ বিন মছউদ (ৰাঃ) কান্দি পেলালে আৰু ক'লে যে, কিস্ৰা আৰু কায়ছাৰে (পাৰস্য আৰু ৰোমৰ সম্ৰাটসকলে) ৰেচম আৰু দামী পাট-কাপোৰৰ ওপৰত খোজ কাঢ়ে। তেতিয়া মহানবী (ছাঃ)-এ কৈছিল, “নাকান্দিবা, সিহঁতৰ বাবে এই পাৰ্থিৱ জগত আৰু আমাৰ বাবে পৰকাল। মোৰ আৰু এই পৃথিৱীৰ উদাহৰণটো হৈছে সেইজন অশ্বাৰোহী যাত্ৰীৰ দৰে, যিয়ে এজোপা গছৰ ছাঁত জিৰণি লয় আৰু তাৰ পিছত পুনৰ নিজৰ যাত্ৰা আৰম্ভ কৰি গুচি যায়।”

হজৰত ওমৰ (ৰাঃ)-এ ওপৰৰ কোঠাত মহানবী (ছাঃ)-ক এখন পাটীৰ ওপৰত শুই থকা দেখিছিল, যাৰ দাগ তেখেতৰ গাৰ এদাঁতিত বহি গৈছিল আৰু মূৰৰ তলত খেজুৰৰ বাকলিৰে বনোৱা এটা গাৰু আছিল। তেখেতেও কান্দি পেলাইছিল; তেতিয়া মহানবী (ছাঃ)-এ একেই কথা কৈছিল যে-“তুমি এই কথাত সন্তুষ্ট নহয় নে যে, সিহঁতৰ বাবে এই পাৰ্থিৱ জগত আৰু আমাৰ বাবে পৰকাল ?” হজৰত মছীহ মাওউদ (আঃ)-এ এই ঘটনাটোৰ উল্লেখ কৰি কৈছে যে, মহানবী (ছাঃ)-এ কৈছিল, “মই সেইজন যাত্ৰীৰ দৰে, যিজনে উটৰ পিঠিত উঠি গৈ থাকোঁতে গৰমৰ দিনত গছৰ ছাঁত জিৰণি লয় আৰু ঘাম শুকোৱাৰ লগে লগেই পুনৰ যাত্ৰা আৰম্ভ কৰে।”

মহানবী (ছাঃ)-ৰ জীৱনাদৰ্শৰ ওপৰত হজৰত মুছলেহ মাওউদে (ৰাঃ) যি লিখি থৈ গৈছে, তাৰ সাৰাংশ হৈছে এইটোৱেই যে, তেখেত (ছাঃ) ধন-সম্পত্তি বিতৰণৰ ক্ষেত্ৰত ইমানেই সাৱধান আছিল যে হজৰত ফাতিমা (ৰাঃ) আৰু হজৰত আলীৰ (ৰাঃ) প্ৰাপ্য অধিকাৰ থকা সত্ত্বেও তেওঁলোকক কোনো ভৃত্য (খাদিম) প্ৰদান কৰা নাছিল, যাতে ভৱিষ্যতৰ শাসকসকলে জনসাধাৰণৰ ধন-সম্পত্তি নিজৰ বাবে বৈধ বুলি ভাবি নলয়। হজৰত আলী (ৰাঃ)-ৰ বৰ্ণনা অনুসৰি, হজৰত ফাতিমা (ৰাঃ)-ৰ যৌতুকত কেৱল এখন ৰেচমী চাদৰ, চামৰাৰ এটা তুলী (য'ত খেজুৰৰ আঁহ ভৰোৱা আছিল), দুটা আটা পিহা জাঁত, এটা মছক (পানী কঢ়িওৱা চামৰাৰ মোনা) আৰু দুটা মাটিৰ কলহ আছিল। হজৰত আয়েশা আৰু হজৰত উম্মে ছালমাই (ৰাঃ) বোকা-মাটিৰে কোঠাটো লেপি দিছিল, খেজুৰৰ ছালেৰে দুটা গাৰু বনাইছিল, খেজুৰ, আঙুৰ আৰু মিঠা পানী খাবলৈ দিছিল আৰু কৈছিল যে-আমি হজৰত ফাতিমাৰ বিয়াতকৈ অধিক উত্তম আৰু সৰল বিয়া আন কোনোৱেই দেখা নাই।

হজৰত মুছলেহ মাওউদ (ৰাঃ)-এ কয় যে, “মহানবী (ছাঃ) জীৱনৰ শেষভাগত এজন শাসক আছিল, তথাপিও তেখেতে কোনো পাৰ্থিৱ লাভালাভ গ্ৰহণ কৰা নাছিল। না তেখেতে কোনো সা-সম্পত্তি নিজৰ বুলি দাবী কৰিছিল আৰু না উত্তৰাধিকাৰী সূত্ৰে কাৰোবালৈ হস্তান্তৰ কৰিছিল। আনকি তিৰোধানৰ অন্তিম ক্ষণতো ঘৰুৱা খৰচৰ বাবে তেখেত (ছাঃ)ৰ সামগ্ৰী বন্ধকত থোৱা আছিল। যেতিয়া গনিমতৰ যুদ্ধলব্ধ ধনৰ পৰা হজৰত ফাতিমাই (ৰাঃ) এগৰাকী দাসী বিচাৰিছিল, তেতিয়া মহানবী (ছাঃ)-এ কৈছিল যে, “এই ধন-সম্পত্তি মোৰ নহয়, বৰঞ্চ আল্লাহৰহে; তুমি আল্লাহৰ জিকিৰ কৰা আৰু দাসীৰ চিন্তা ত্যাগ কৰা।”

আছৱাদে বৰ্ণনা কৰে যে, হজৰত আয়েশ্বা (ৰাঃ)-এ কৈছিল, “মহানবী (ছাঃ)-এ ঘৰৰ মানুহক ঘৰুৱা কাম-কাজত সহায় কৰি দিছিল আৰু যেতিয়া নামাজৰ সময় হৈছিল, তেতিয়া তেখেত নামাজৰ বাবে গুচি গৈছিল। হজৰত হাছানা বিন খালিদ আৰু হজৰত ছাৱাদ বিন খালিদ (ৰাঃ)-এ (এবাৰ) মহানবী (ছাঃ)-ক এখন বেৰ মেৰামতি কৰি থকা দেখিছিল আৰু তেখেতৰ কামত সহায় কৰিছিল। হজৰত আয়েশাই (ৰাঃ) বৰ্ণনা কৰিছে যে, মহানবী (ছাঃ) আন মানুহৰ দৰেই এজন মানুহ আছিল; তেখেতে নিজৰ কাপোৰ নিজে চাফা কৰিছিল, ছাগলীৰ গাখীৰ খীৰাইছিল আৰু নিজৰ সকলো কাম নিজে কৰিছিল। কাফিৰসকলে কৈছিল যে— এওঁ কেনেকুৱা ৰাছুল, যিয়ে আহাৰ গ্ৰহণ কৰে আৰু বজাৰত ঘূৰি ফুৰে! মহানবী (ছাঃ)-এ বিনয় আৰু নম্ৰতা অৱলম্বন কৰিছিল আৰু অহংকাৰৰ পৰা বাচি থকাৰ ব্যৱহাৰিক শিক্ষা প্ৰদান কৰিছিল।হজৰত আবু হুৰায়ৰা (ৰাঃ)-ৰ পৰা বৰ্ণিত আছে যে, মহানবী (ছাঃ)-এ কৈছিল, “আল্লাহ তা'লাই এনে কোনো নবী প্ৰেৰণ কৰা নাই, যিজনে ছাগলী চৰোৱা নাই; আৰু ময়ো কেইটামান মুদ্ৰাৰ বিনিময়ত মক্কাবাসীৰ ছাগলী চৰাইছিলোঁ।” ছুৰা আল-কাছাছৰ ২৮ আৰু ২৯ নম্বৰ আয়াততো হজৰত মুছা (আঃ)-এ পাৰিশ্ৰমিকৰ বিনিময়ত কাম কৰাৰ কথা উল্লেখ আছে। ভাষ্যকাৰসকল আৰু ছৈয়দ জয়নুল আবিদিন ৱলীউল্লাহ শ্বাহ চাহেবে এই কথা স্পষ্ট কৰিছে যে, ‘কাৰাৰীত’ হৈছে ‘কিৰাত’ৰ বহুবচন, যিটো চাৰি ৰতি ৰূপৰ সমান এক দিৰহামৰ এটা অংশ আছিল। অৰ্থাৎ এইটো এটা পাৰিশ্ৰমিকহে আছিল, কোনো ঠাইৰ নাম নহয়; আৰু আল্লামা বুৰহানুদ্দীন হালবীয়েও একে কথাই লিখিছে।

হজৰত মছীহ মাওউদ (আঃ)-এ কয় যে, “মহানবী (ছাঃ)-এ নিজৰ প্ৰাৰম্ভিক জীৱন অনাথ আৰু অসহায় অৱস্থাত অতিবাহিত কৰিছিল, ছাগলী চৰাইছিল; আৰু আৰু নবীসকলৰ জীৱনত দৰিদ্ৰতাৰ অংশ এইবাবেই ৰখা হৈছিল যাতে তেওঁলোকৰ মনত অহংকাৰৰ ভাৰ নাথাকে। এবাৰ অৰণ্যৰ মাজেৰে গৈ থকাৰ সময়ত মহানবী (ছাঃ)-এ চাহাবাসকলক এজোপা গছৰ মিঠা ফল খাবলৈ কৈছিল আৰু জনাইছিল যে ছাগলী চৰোৱাৰ সময়ত মই এই ফলবোৰ খাইছিলোঁ। হজৰত মুছলেহ মাওউদ (ৰাঃ)-এ কয় যে, “ৰোম আৰু ইৰাণ সাম্ৰাজ্যৰ সৈতে চিঠিপত্ৰৰ আদান-প্ৰদান আৰু ৰাষ্ট্ৰদূতসকলৰ আহযাহ থকাৰ পিছতো মহানবী (ছাঃ)-এ কোনো দাসৰ দল বা ভৃত্য ৰখা নাছিল, বৰঞ্চ ঘৰৰ কাম নিজেই কৰিছিল। পৃথিৱীত এজন শাসক হৈয়ো দৰিদ্ৰতা অৱলম্বন কৰা আৰু মানুহৰ মাজত লাখ লাখ টকা বিতৰণ কৰি নিজৰ ঘৰৰ কাম নিজে কৰাটো কেৱল মহানবী (ছাঃ) আৰু তেখেতৰ অনুসাৰীসকলৰহে এক অনন্য বৈশিষ্ট্য।

খুতবাৰ শেষত হুজুৰ আনোৱাৰ (আঃ)-এ সেইসকল নিৰ্যাতিত আহমদীৰ বাবে দোৱাৰ আহ্বান জনাইছে, যিসকলৰ ওপৰত স্বাৰ্থান্বেষী আৰু সন্ত্ৰাসবাদী চক্ৰই অত্যাচাৰ চলাই আছে; চৰকাৰী বিষয়াসকলে তেওঁলোকক পৃষ্ঠপোষকতা কৰি আছে আৰু ন্যায়াধীশসকলেও মৌলৱীসকলৰ ভয়ত জামিন মঞ্জুৰ নকৰে। একেদৰে মালয়েছিয়াতো জামাতৰ বিৰুদ্ধে পৰিস্থিতি প্ৰতিকূল হৈ আছে আৰু মছজিদসমূহত অতৰ্কিত অভিযান চলোৱা হৈছে। আল্লাহ তা'লাই মালয়েছিয়াৰ আহমদীসকলকো নিজৰ হিফাজত আৰু নিৰাপত্তাত ৰাখক। আমীন।।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔